জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৯৭/২০২২**

# দুৰ্গা পূজাৰ নামত চান্দা সংগ্ৰহৰ অপসংস্কৃতি পৰিহাৰ কৰিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** আধ্যাত্মিক উৎসাহ-উদ্দীপনাৰে উদ্‌যাপিত হ'বলগীয়া দুৰ্গা পূজাৰ বতৰত চান্দা সংগ্ৰহৰ অপসংস্কৃতি সম্পূৰ্ণৰূপে পৰিহাৰ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি আহ্বান জনাইছে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই এই আহ্বান জনাই কয় যে ভাৰতীয় আধ্যাত্মিক জীৱনত দেৱী দুৰ্গাৰ উপাসনাৰ গভীৰ মহত্ত্ব আছে। দেৱী দুৰ্গাৰ পূজাই অনাদিকালৰে পৰা অশুভ শক্তিৰ বিৰুদ্ধে যুঁজ দিবলৈ সমাজক সাহস আৰু প্ৰেৰণা যোগাই আহিছে। এই পূজাৰ সৈতে ভক্তি, শ্ৰদ্ধা আৰু সাধনাৰ গভীৰ সম্পৰ্ক আছে। দুৰ্গোৎসৱৰ জৰিয়তে সামাজিক, নৈতিক আৰু আধ্যাত্মিক বান্ধোন সুদৃঢ় হয়। এই পৱিত্ৰ উৎসৱ উদ্‌যাপনৰ বাবে ক্ষুদ্ৰ অথবা বৃহৎ ব্যৱসায়ীৰ পৰা চান্দা সংগ্ৰহ কৰি তেওঁলোকক হাৰাশাস্তি কৰাটো সমাজৰ বাবে হিতকৰ কাৰ্য নহয়।

মুখ্যমন্ত্ৰীয়ে সকলোকে সহযোগিতাৰে চান্দা সংগ্ৰহৰ অপসংস্কৃতিৰ পৰা চিৰদিনৰ বাবে মুক্তি লাভৰ সংকল্প গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

**পুঃডেঃ / বীঃগঃ**
**২৯/০৯/২০২২**